চাকৰি

'আগন্তুক ৫ বছৰত অসম আৰক্ষীত হ'ব ২০ হাজাৰ নতুন নিযুক্তি' - মুখ্যমন্ত্রী

অহা পাঁচ বছৰত অসম আৰক্ষীত ২০ হাজাৰতকৈ অধিক পদত নিযুক্তি দিয়া হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই।

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৩৭



20,000 police jobs planned in Assam

২৪ নৱেম্বৰ, ২০২৬

আগন্তুক ৫ বছৰত অসম আৰক্ষীত হ'ব ২০ হাজাৰ নতুন নিযুক্তি' ।'অহা ১ ফেব্রুৱাৰীৰ পৰা অসম আৰক্ষীৰ ৫,৭৭৪টা পদৰ বাবে আৰম্ভ হ'ব নিযুক্তি প্রক্রিয়া'। 'শীঘ্রে মুকলি হ'ব অসম আৰক্ষীত নতুন পদৰ বিজ্ঞাপন, গঠন হ'ব নতুন বেটেলিয়নৰ'।

অহা পাঁচ বছৰত অসম আৰক্ষীত ২০ হাজাৰতকৈ অধিক নতুন নিযুক্তি প্রদান কৰা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই। লাচিত বৰফুকন আৰক্ষী একাডেমীৰ দীক্ষান্ত সমাৰোহত অংশগ্রহণ কৰি ৰাজ্যৰ

যুৱক-যুৱতীসকলৰ বাবে আৰক্ষী বিভাগত এই নতুন সুযোগ সৃষ্টিৰ কথা সদৰী কৰে মুখ্যমন্ত্রীগৰাকীয়ে।

মুখ্যমন্ত্রীয়ে জনোৱা অনুসৰি, অহা ১ ফেব্রুৱাৰীৰ পৰা অসম আৰক্ষীৰ ৫,৭৭৬টা পদৰ বাবে নিযুক্তি প্রক্রিয়া আৰম্ভ হ'ব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ ২,২৩৬টা, এপিআৰঅ'ৰ ৬৮৪টা, অগ্নি নির্বাপক বাহিনীৰ ৪৯০টা, বন বিভাগৰ ১৩টা, গৃহৰক্ষী বাহিনীৰ ১,০০৭টা, কাৰাগাৰ বিভাগৰ ১৯১টা আৰু অন্যান্য বিভাগৰ ৮২৭টা পদ অন্তর্ভুক্ত কৰা হৈছে।

ইয়াৰ উপৰি আৰক্ষী বিভাগত অতি শীঘ্রে আন এটা নিযুক্তিৰ বিজ্ঞাপন প্রকাশৰ প্রস্তুতি চলোৱা হৈছে বুলিও মুখ্যমন্ত্রীয়ে জানিবলৈ দিয়ে। প্রায় ১,০০০ যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব পৰাকৈ এটা নতুন আৰক্ষী বেটেলিয়ন আৰু আন এটা এছডিআৰএফ বেটেলিয়ন গঠনৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ ঘোষণা কৰে।

আনহাতে ৰাজ্যৰ যুৱক-যুৱতীসকলে যাতে কেন্দ্রীয় অর্ধসামৰিক বাহিনীত নিযুক্তিৰ সুযোগ লাভ কৰিব পাৰে, তাৰ বাবে অসমতে চিআৰপিএফ আৰু চিআইএছএফৰ দুটা নতুন নিযুক্তি পৰীক্ষা কেন্দ্র স্থাপনৰ পদক্ষেপ গ্রহণ কৰা হৈছে। এই কেন্দ্র স্থাপনৰ বাবে ইতিমধ্যে ধেমাজি জিলাত ভূমি চিনাক্ত কৰা হৈছে বুলি মুখ্যমন্ত্রীগৰাকীয়ে উল্লেখ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5900/assam-police-recruitment-himanta-biswa-sarma